৩ পৃষ্ঠাত
৪ পৃষ্ঠাত
১০ পৃষ্ঠাত


# অসম আদিত্য

শাওণ, ১৯৪৮ শক ■ শুকুৰবাৰ, ১৪ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, August 14, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


**প্ৰতিবেদক, খোৱাং, ১৩ আগষ্ট** : আৰণ্যকৰ উদ্যোগত খোৱাং মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট, এন চি চি গোটৰ সহযোগত আজি মহাবিদ্যালয়ত বিশ্ব হস্তী দিৱস পালন কৰা হয়। এন এচ এচ গোটৰ কাৰ্যক্ৰম বিষয়া কাকলি বন্যা গগৈয়ে আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ত্ৰৈলোক্য দিহিঙীয়াই। অনুষ্ঠানটিত আৰণ্যকৰ বিষয়া জাকিৰ ববাই দিৱসৰ তাৎপৰ্য আৰু আৰণ্যকৰ এক চমু পৰিচয় দাঙি ধৰা লগতে খোৱাং আঞ্চলিক উপ-বন বিষয়া ধৰিত্ৰ কোঁৱৰে হস্তী সংৰক্ষণ আৰু বন বিভাগৰ বিভিন্ন পদক্ষেপ সম্পৰ্কত বক্তব্য আগবঢ়ায়। আৰণ্যকৰ আন এজন বিষয়া ইজাজ আহমেদে Audio-Vidual মাধ্যমেৰে হস্তী সংৰক্ষণ, হস্তী-মানৱ সংকট সমাধানৰ কৌশল সম্পৰ্কে এক বিস্তৃত তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত আৰণ্যকৰ তৰফৰ পৰা হাতী, Elephas Maximus শীৰ্ষক এক লিফলেট বিতৰণ কৰা হয়। মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰতিম শৰ্মা, আৰণ্যকৰ বিষয়া তীব্ৰজ্যোতি গগৈ, জিয়াওৰ ৰহমান, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে।

## কানৈ কলেজত প্ৰিঞ্চিপাল্‌ছ লাষ্ট ক্লাছ ৩.০ শীৰ্ষক বক্তৃতামালা

**ষ্টাফ ৰিপৰ্টাৰ, ১৩ আগষ্ট** : মানুহে নিজৰ কৰ্মৰ জৰিয়তে সমাজৰ ধাৰ পৰিশোধ কৰিব লাগিব। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড০ হানিয়া ৰহমান, মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোনোৱালৰ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰিঞ্চিপাল্‌ছ লাষ্ট ক্লাছ-৩.০'উদ্বোধন কৰি বিশিষ্ট কবি, সাহিত্যিক তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই এইদৰে কয়। তেওঁ কয়— অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই তেওঁৰ এই প্ৰিঞ্চিপাল্‌ছ লাষ্ট ক্লাছৰ জৰিয়তে এনে এক চানেকী থৈ যাব যি ভৱিষ্যতে এক দলিল হৈ ৰ'ব। অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় — মগজুৰ কোষবোৰক যিমানেই কামত লগোৱা হয়, সিমানেই কোষবোৰ শক্তিশালী হয়। যিমানেই এলাহ কৰি কাম কৰাৰ পৰা আঁতৰ হয়, সিমানেই মগজুৰ কোষবোৰ শুকাই যায়। অধ্যক্ষগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ নেতৃত্বত মহাবিদ্যালয়খনে যি এক নিয়মানুৱৰ্তীতাৰ মাজেৰে আগুৱাই গৈছে তাক ভূঁয়সী প্ৰশংসা কৰাৰ লগতে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কৰ্মৰত হৈ থকা সময়ছোৱাত মহাবিদ্যালয়খনত কৰা উন্নয়নৰ কথাও উল্লেখ কৰে। শেষত এটি সুন্দৰ কবিতাৰে অধ্যক্ষগৰাকীয়ে তেখেতৰ সাৱলীল বক্তব্য সামৰণি মাৰে। অধ্যাপিকা সুজাতা সোনোৱালে আঁত ধৰা অনুষ্ঠানটিত 'প্ৰিঞ্চিপাল্‌ছ লাষ্ট ক্লাছ-৩.০' বক্তৃতামালাত 'বুকুৰ মাজত জীয়াই থকা এজন পিতৃৰ অপ্ৰকাশিত মমতা' শীৰ্ষক বিষয়ত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— বোধহয় পিতৃসকল এনেকুৱাই। পিতৃয়ে সন্তানক মাকৰ দৰে কোলাত লৈ মুখত চুমা খাই মৰম দেখুৱাব নোৱাৰে। পিতৃৰ মৰমবোৰ লুকুৱাই থোৱা থাকে অনুশাসনৰ টান চামৰাৰ আঁৰত, গালি-গালাজৰ পিছফালে আৰু নিৰৱে কৰি যোৱা কষ্টবোৰৰ মাজত। অধ্যক্ষগৰাকীয়ে কয়—যিদৰে গাখীৰত পানী মিহলি হৈ গ'লে গাখীৰে নিজৰ অস্তিত্ব শেষ কৰিও পানীক নিজৰ ৰূপ দিয়ে, ঠিক তেনেদৰে এজন দেউতাকে নিজৰ সকলো ভাগৰ আৰু কষ্ট লুকুৱাই সন্তানক এটা সুন্দৰ ভৱিষ্যত দিয়ে। তেওঁ কয়— এজোপা বৃহৎ বটবৃক্ষই নিজে ৰ'দত দহি-পুৰি থাকে, কিন্তু তাৰ তলত আশ্ৰয় লোৱা পশু-পক্ষীক শীতল ছাঁ দিয়ে। অধ্যক্ষ হিচাপে



যোৱা এঘাৰ বছৰে সেই ছাঁটোকে দিবলৈ চেষ্টা কৰি অহা বুলি উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে পুনৰ কয়— কাইলৈ বা আৰু কিছুদিনৰ পিছত হয়তো মই কানৈ মহাবিদ্যালয়ত নাথাকিম। এই অধ্যক্ষৰ আসনত অন্য কোনোবা বহিব। কিন্তু কানৈ মহাবিদ্যালয়ৰ প্ৰতিটো ধূলিকণাত, এই সেউজীয়া চৌহদৰ প্ৰতিজোপা গছৰ পাতত, শ্ৰেণীকোঠাৰে পাৰ হৈ যোৱা বতাহজাকত আৰু পৰিষ্কাৰ হৈ থকা প্ৰতিটো চুকত মোৰ নিশ্বাস বৈ যাব। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ননীমাধৱ বৰকটকীয়ে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটি কালজয়ী গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ হকে, দেশৰ হকে দায়বদ্ধশীলভাৱে কাম কৰি যাবলৈ আহ্বান জনায়। বৰকটকীয়ে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ কৰ্মৰাজিক ভূঁয়সী প্ৰশংসা কৰি কয়— অধ্যক্ষগৰাকীৰ নেতৃত্বতে কানৈ মহাবিদ্যালয়ে উন্নতিৰ উচ্চ শিখৰত আগুৱাই যাবলৈ সক্ষম হৈছে। উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ পৰা আহি কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ সুভম সুত্ৰধৰে অধ্যক্ষগৰাকীক প্ৰশংসা কৰি এক সুন্দৰ বক্তব্য প্ৰদান কৰে আৰু অধ্যক্ষগৰাকীয়ে ছাত্ৰজনৰ বক্তব্যত আপ্লুত হৈ ছাত্ৰজনক নগদ পাঁচশ টকাৰ লগতে এখন মানপত্ৰ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ডেৰশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা উপাসনা দত্তই।

## মাৰোৱাৰী হিন্দী

**বিশেষ প্ৰতিবেদক, ১৩ আগষ্ট** : ডিব্ৰুগড় মহানগৰৰ মাজ-মজিয়াত অৱস্থিত অতিকৈ পুৰণি তথা ঐতিহাসিক মাৰোৱাৰী হিন্দী হাইস্কুলত বৰ্তমান সৃষ্টি হৈছে এক অনাকাংক্ষিত আৰু চৰম অৰাজক পৰিস্থিতিৰ। জিলা শিক্ষা বিভাগৰ কাৰ্যালয়ৰ পৰা নাতিদূৰতে অৱস্থিত এইখন চৰকাৰী বিদ্যালয়ত এতিয়া চলিছে নিয়ম-নীতিৰ মুকলি উলংঘন। সদৌ অসম ছাত্ৰ সংস্থা (আছু)-ৰ ডিব্ৰুগড় জিলাৰ এটা সঁজাতী দলে সংবাদ মাধ্যমৰ সৈতে বিদ্যালয়খনত চলোৱা হঠাৎ পৰিদৰ্শনৰ সময়ত উন্মোচিত হৈছে বিদ্যালয়খনৰ বহু ভয়ংকৰ তথা বিস্ফোৰক তথ্য। বিদ্যালয়খনত সৃষ্টি হোৱা এই বিশৃংখলতাৰ আটাইতকৈ আচৰিত দিশটো হ'ল ইয়াত বৰ্তমান দুজন কৈ প্ৰধান শিক্ষকে কাৰ্যনিৰ্বাহ কৰি আছে। চৰকাৰৰ ফালৰ পৰা ৰজনী শৰ্মাক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল যদিও বিদ্যালয় পৰিচালনা সমিতিয়ে চৰকাৰী আদেশক বৃদ্ধাংগুষ্ঠ দেখুৱাই নিজাকৈ ৰাম নিৰজ সিংহ নামৰ এজন গণিতৰ শিক্ষকক বে-আইনীভাৱে প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰিছে। অতি পৰিতাপৰ বিষয় যে দায়িত্বপ্ৰাপ্ত দ্বিতীয়গৰাকী প্ৰধান শিক্ষক ৰাম নিৰজ সিঙে বিগত দুবছৰ ধৰি শ্ৰেণীকোঠাত কোনোধৰণৰ পাঠদান কৰা নাই, যাৰ ফলত বিশেষকৈ অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল গণিত বিষয়ত যথেষ্ট সমস্যাৰ সন্মুখীন
সৃষ্টি হৈছে। দুয়োগ
মাজত চলা ব্যক্তি
বিদ্যালয়খনৰ ৩২
ভৱিষ্যৎ এতিয়া অ
হৈছে। আনহাতে,
আৰু স্বাস্থ্য সজা
দুৰ্বিষহ অৱস্থাত উ
ভোজন প্ৰস্তুত
সংৰক্ষণ কৰা কো
অসম্ভৱ হৈ পৰিছে
পৰি থকা চাউল অ
গৈ ইমানেই তীব্ৰ
যে বিদ্যালয় চৌহদ
হৈ পৰিছে। শিক্ষাৰ্থ
কৰা অনুসৰি, তে
কেইবা মাহ ধৰি
সুবিধাৰ পৰা বঞ্চি
বিদ্যালয় কৰ্তৃপক্ষ
সেৱা বন্ধ থকা বু

## চিআ

**ষ্টাফ ৰিপৰ্টাৰ, ১৩**
দিৱসৰ প্ৰাক্‌ক্ষণত
'হৰ ঘৰ ত্ৰিৰংগা'
হিচাপে কেন্দ্ৰীয়
বাহিনী চমুকৈ চিআ
বেটেলিয়নে উলিয়
ৰেলী। ভাৰত চৰ
নিৰ্দেশনা অনুসৰি
নং বেটেলিয়ন চিআ
আয়োজন কৰা হয়
ৰেলী। দেশৰ স্বা